# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-10 -2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***
**-------------------**

১। এগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে কাইলৈ ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ।

২। শিল্পী জুবিন গাৰ্গৰ প্ৰতি ন্যায় নিশ্চিত কৰাৰ বাবে অসম প্ৰদেশ বিজেপিৰ **ময়ো জুবিন আমিও জুবিন** শীৰ্ষক ডিজিটেল প্ৰচাৰ অভিযান।

৩। সোণাপুৰৰ জুবিন গাৰ্গ ক্ষেত্ৰত লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা তৰ্পন।

৪। বিশ্বনাথ জিলাৰ গহপুৰত নিৰ্মাণ হ'বলগীয়া ছহিদ কনকলতা বিশ্ববিদ্যালয়ৰ অহা ৮ নৱেম্বৰত আধাৰশিলা স্থাপন। ***আৰু***

৫। আই চি চি মহিলাৰ বিশ্বকাপ প্ৰতিযোগিতাত আজি শ্ৰীলংকা-দক্ষিণ আফ্ৰিকাৰ মুখামুখি।

০০০০০

এগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে কাইলৈ ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। কাইলৈ দিনৰ এঘাৰ বজাত গুৱাহাটী ৰাজভৱনত হ'বলগীয়া এটা অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই বি পি এফ দলৰ চৰণ বড়োক কেবিনেট মন্ত্ৰীৰূপে শপত বাক্য পাঠ কৰোৱাব।

উল্লেখযোগ্য যে হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বি পি এফ দলে সদ্যসমাপ্ত বিটিচি নিৰ্বাচনত অভূতপূৰ্ব সফলতা লাভ কৰাৰ পাছত দলটো শাসনাধিস্থিত এন ডি এ মৰ্চাত যোগ দিয়া সন্দৰ্ভত প্ৰচুৰ সম্ভাৱনাৰ সৃষ্টি হৈছিল। পৰৱৰ্তী বিধানসভা নিৰ্বাচনলৈ ছমাহতকৈ কম সময় বাকী থকা অৱস্থাত অসম মন্ত্ৰীসভাৰ কাইলৈ হ'বলগীয়া সম্প্ৰসাৰণ ৰাজনৈতিকভাৱে বিশেষ গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

০০০০০

অসম প্ৰদেশ বিজেপিয়ে শিল্পী জুবিন গাৰ্গৰ প্ৰতি ন্যায় সুনিশ্চিত কৰাৰ বাবে সামাজিক মাধ্যমত **ময়ো জুবিন, আমিও জুবিন** শীৰ্ষক এটা ডিজিটেল প্ৰচাৰ অভিযান আৰম্ভ কৰাৰ সিদ্ধান্ত লৈছে। দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই আজি গুৱাহাটীত এই কথা প্ৰকাশ কৰি কয়, যে জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যুৰ তদন্ত স্বচ্ছ আৰু নিৰপেক্ষ হোৱাটো বিজেপি দলেও কামনা কৰে আৰু সেইবাবেই সামাজিক মাধ্যমত এই অভিযান চলোৱাৰ সিদ্ধান্ত লোৱা হৈছে।

প্ৰদেশ বিজেপিয়ে নিজাববীয়াকৈ জুবিন গাৰ্গৰ স্মৃতিত আন কেইবাটাও কাৰ্যসূচী গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই অভিযান সম্পৰ্কত কয়,

**বাইট**

০০০০

স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ বাবে অনুষ্ঠিত টেট তথা নিযুক্তি পৰীক্ষাৰ ফলাফলসমূহ আজি ঘোষণা কৰা হয়। পৰীক্ষাৰ্থীসকলে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ ৱেবছাইট madhyamik.assam.gov.in ত তেওঁলোকৰ ফলাফলসমূহ লাভ কৰিব পাৰিব। অহা ২৫ অক্টোবৰৰ ভিতৰত নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শিক্ষক পদৰ ফলাফলসমূহো ঘোষণা কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে।

০০০০

কেন্দ্ৰীয় উত্তৰ পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই উত্তৰ পূৰ্বাঞ্চল দেশৰ বিকাশৰ ইঞ্জিন হিচাপে পৰিগণিত হৈছে বুলি প্ৰকাশ কৰিছে। তেওঁৰ মন্ত্ৰালয়ৰ এবছৰীয়া সফলতাৰ বিষয়ে আজি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীসিন্ধিয়াই কয় যে যোৱা ১১টা বছৰত উত্তৰ পূৰ্বাঞ্চলৰ সামৰ্থ্যক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উপস্থাপন কৰা বাবে চৰকাৰে অবিৰতভাৱে কাম কৰি আহিছে। তেওঁ কয় যে এই সময়ছোৱাত উত্তৰ পূৰ্বাঞ্চলত বিমান বন্দৰৰ সংখ্যা পূৰ্বৰ ৯টাৰ পৰা ১৭টালৈ বৃদ্ধি পাইছে। উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজেৰে যোৱা ৰাষ্ট্ৰীয় ঘাইপথৰ দৈৰ্ঘ্য পূৰ্বৰ ১০ হাজাৰ কিলোমিটাৰৰ পৰা বৰ্তমান ১৬ হাজাৰলৈ বৃদ্ধি হৈছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে উত্তৰ পূৰ্বাঞ্চলত বিনিয়োগ আৰু উন্নয়নৰ সম্ভাৱনীয়তাক অধিক শক্তিশালী কৰাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে যোৱা মে' মাহত অনুষ্ঠিত উত্তৰ-পূব সন্মিলনত অঞ্চলটোত ৪ লাখ ৪৮ হাজাৰ কোটি টকা বিনিয়োগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুকলি কৰা অষ্টলক্ষ্মী দৰ্শন কাৰ্যসূচীৰ অধীনত সমগ্ৰ দেশৰ ৩ হাজাৰ ২০০গৰাকী ছাত্ৰ-ছাত্ৰীয়ে উত্তৰ পূৰ্বাঞ্চল সাংস্কৃতিক ঐতিহ্যৰ বিষয়ে অধ্যয়ন কৰাৰ বাবে অঞ্চলটো ভ্ৰমণ কৰিব।

০০০০০

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে আজি সোণাপুৰৰ কমাৰকুছিৰ জুবিন গাৰ্গ ক্ষেত্ৰলৈ গৈ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ কাহিলিপাৰালৈ গৈ জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গ, পিতৃ মোহিনীমোহন বৰঠাকুৰ আৰু পৰিয়ালৰ আন সদস্যসকলক সাক্ষাৎ কৰি জুবিন গাৰ্গৰ প্ৰতি থকা তেওঁৰ গভীৰ শ্ৰদ্ধা আৰু সহমৰ্মিতাৰ কথা প্ৰকাশ কৰে। পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত গান্ধীয়ে জুবিন গাৰ্গৰ অকাল মৃত্যু কেৱল অসমবাসীৰ বাবেই নহয়, সমগ্ৰ দেশবাসীৰ বাবেই এটা বৃহৎ ক্ষতি বুলি অভিহিত কৰে। জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যুৰ পুংখানুপুংখ আৰু স্বচ্ছ তদন্ত হোৱাৰ ওপৰতো কংগ্ৰেছ নেতাগৰাকীয়ে গুৰুত্ব আৰোপ কৰে।

*(বাইট ঃ ৰাহুল গান্ধী)*

০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত এছ আই টিয়ে গ্ৰেপ্তাৰ কৰা কণ্ঠশিল্পী অমৃতপ্ৰভা মহন্ত আৰু বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামীক কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰাৰ পাছত তেওঁলোকক হাফলং কাৰাগাৰলৈ নিয়া হয়। আমাৰ হাফলঙৰ সংবাদদাতাই জনোৱা মতে, ব্যাপক নিৰাপত্তাৰ মাজত তেওঁলোকক কাৰাগাৰলৈ কঢ়িয়াই নিয়া গাড়ী কেইখন সন্ধিয়া ৬ বাজি ১৫ মিনিটত হাফলঙ উপ কাৰাগাৰত উপস্থিত হয়। তেওঁলোকক সুকলমে কাৰাগাৰৰ ভিতৰত প্ৰৱেশ কৰোৱা হৈছে।

ইয়াৰ আগতে ১৪ দিনৰ আৰক্ষীৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ পাছত শেখৰ জ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তক আজি আগবেলা কামৰূপ মহানগৰ ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয়।

ইপিনে, যোৱা বুধবাৰে অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি পাঁচজনক বাক্সা জিলাৰ নিকাছিত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত উদ্ভৱ হোৱা হিংসাত্মক ঘটনাৰ পৰিপ্ৰেক্ষিতত জিলাখনত কৰ্তন কৰা ম'বাইল ইণ্টাৰনেট সেৱা আজিৰে পৰা বাহাল কৰা হৈছে। অৱশ্যে জিলাখনত সান্ধ্য আইন আজিও অব্যাহত আছে আৰু নিকাছি কাৰাগাৰৰ সন্মুখৰ পথেৰে সৰ্বসাধাৰণৰ আহ-যাহ নিষিদ্ধ কৰা হৈছে। অঞ্চলটোত অসম আৰক্ষীৰ লগতে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু ৰেপিড এক্সন বাহিনীৰ লোকে অহৰ্নিশে পহৰা দি আছে।

০০০০০

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ নেতৃত্বত গঠন কৰা এজনীয়া ন্যায়িক আয়োগে এই ঘটনা সম্পৰ্কত তথ্য সংগ্ৰহৰ বাবে ৰাজহুৱা জাননী জাৰি কৰিছে। সেই অনুসৰি জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত কোনো লোকৰ হাতত কোনো তথ্য থাকিলে তেওঁলোকে শপতনামাৰ

জৰিয়তে এই তথ্য আয়োগক জনাব পাৰিব। গুৱাহাটীৰ চানমাৰিৰ খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ কাৰ্যালয়ত থকা আয়োগৰ  কাৰ্যালয়ত অহা ৩ নৱেম্বৰৰ পৰা ২১ নৱেম্বৰৰ দিনৰ চাৰে ১০ বজাৰ পৰা বিয়লি চাৰি বজাৰ ভিতৰত এনে তথ্য সম্বলিত শপতনামা দাখিল কৰিব পৰা যাব বুলি এখন চৰকাৰী বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০

বিশ্বনাথ জিলাৰ গহপুৰ সমজিলাৰ ভোলাগুৰি চাহ বাহিচাত নিৰ্মাণ হ'বলগীয়া ছহিদ কনকলতা বিশ্ববিদ্যালয়ৰ আধাৰশিলা অহা ৮ নৱেম্বৰত স্থাপন কৰা হ'ব। স্থানীয় বিধায়ক উৎপল বৰাই এই কথা সদৰি কৰি কয়, যে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে এই বিশ্ববিদ্যালয়খনৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাও এই অনুষ্ঠানত উপস্থিত থাকিব বুলি বিধায়কগৰাকীয়ে জানিবলৈ দিয়ে। কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে আধাৰশিলা স্থাপনৰ পাছত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব। বিশ্ববিদ্যালয়খনৰ বাবে ৭৩৮ বিঘা ভূমি আৱণ্টন দিয়া হৈছে বুলি বিধায়ক শ্ৰী বৰাই জানিবলৈ দিয়ে।

*(বাইট ঃ উৎপল বৰা)*

উল্লেখযোগ্য যে, এই বিশ্ববিদ্যালয়ত পৰম্পৰাগত বিষয়সমূহৰ উপৰি কৃত্ৰিম বুদ্ধিমত্তা, ৰ'ব'টিক বিজ্ঞান আদি বিষয়ৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হ'ব। ইতিমধ্যে বিশ্বনাথ জিলা প্ৰশাসনে এই অনুষ্ঠানৰ প্ৰস্তুতি আৰম্ভ কৰিছে।

০০০০০

বিশ্বনাথ জিলাৰ অন্তৰ্গত গহপুৰত আজি আৰক্ষীয়ে বন্দুক আৰু সজীৱ গুলিসহ ৩ জন চোৰাং চিকাৰীক আটক কৰে। বিশ্বনাথ আৰু মাজুলী জিলাৰ আৰক্ষীৰ যুটীয়া অভিযানত এটা বন্দুক আৰু ৯ জাই গুলি উদ্ধাৰ কৰা হয়। গোপন সূত্ৰৰ ভিত্তিত জিলাখনৰ গহপুৰ সমজিলাৰ অন্তৰ্গত ধন্দী পথাৰৰ দেৱজিৎ পেগুৰ ঘৰৰ পৰা এই বন্দুক আৰু গুলিসমূহ উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে এই ঘটনা সংক্ৰান্তত মুহিকান্ত পেগু নামৰ এজন লোকক প্ৰথমে আটক কৰে। তেওঁৰ স্বীকাৰোক্তিৰ ভিত্তিতেই মাজুলীৰ এক নম্বৰ মিছামৰা নিৱাসী মনোজ পাথাৰী আৰু কিৰণ পেগুক আৰক্ষীয়ে আটক কৰিবলৈ সমৰ্থ হয়। গহপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত চলা অভিযানটোত আটকাধীন ব্যক্তিকেইজনে গঁড়ৰ চোৰাং চিকাৰৰ চেষ্টা কৰাৰ তথ্যও পোহৰলৈ আহিছে।

০০০০০

গোৱালপাৰা জিলাক নিচামুক্ত জিলা হিচাপে গঢ় দিয়াৰ বাবে আজি জিলা প্ৰশাসনে ফাৰ্মাচীসমূহৰ স্বত্তাধিকাৰীসকলৰ মাজত এখন সভা অনুষ্ঠিত কৰে। সভাত জিলা আয়ুক্ত প্ৰদীপ টিমুং উপস্থিত থাকি সমাজখনক নিচামুক্ত কৰাৰ ক্ষেত্ৰত ফাৰ্মাচী স্বত্তাধিকাৰীসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি মন্তব্য কৰে। তেওঁ ঔষধ বিক্ৰেতাসকলক যথেষ্ট সাৱধানতা অৱলম্বন কৰিবলৈ পৰামৰ্শ দিয়ে। আয়ুক্তগৰাকীয়ে ফাৰ্মাচীসমূহত চি চি টি ভি সংলগ্ন কৰাৰ উপৰিও ফাৰ্মাচীৰ কৰ্মচাৰীসকলক এপ্ৰন পৰিধান কৰাৰ বাবে নিৰ্দেশ দিয়ে। সজাগতা সভাখনত জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকো উপস্থিত থাকে।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ গোলাপ শইকীয়া সোঁৱৰণী অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাত নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী নিষ্ঠা বৰগোহাঁইয়ে প্ৰথম স্থান অধিকাৰ কৰিছে। গহপুৰৰ নিউ স্কলাৰ্ছ একাডেমীৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰী দিব্যা আত্ৰেয়ই দ্বিতীয় স্থান, যোৰহাটৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰী অন্বেষা ফুকন আৰু গুৱাহাটীৰ কটন বিশ্ববিদ্যালয়ৰ একাদশ শ্ৰেণীৰ ছাত্ৰ ৰোহিত গাঁওখোৱাই যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰিছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰত হ'বলগীয়া পুৰস্কাৰ বিতৰণ অনুষ্ঠানৰ তাৰিখ যথাসময়ত প্ৰকাশ কৰা হ'ব। পুৰস্কাৰ ৰূপত প্ৰথম তিনিটা স্থান লাভ কৰা আটাইকেইগৰাকী বিজয়ী প্ৰতিযোগিয়ে একোটাকৈ স্মাৰক, প্ৰমাণপত্ৰ, গ্ৰন্থ আৰু এটাকৈ ৰেডিঅ'ছেট লাভ কৰিব। আজিৰ বাতৰিত আমি দ্বিতীয়

স্থান লাভ কৰা গহপুৰৰ নিউ স্কলাৰ্চ একাডেমীৰ ছাত্ৰী দিব্যা আত্ৰেয়ই পঢ়া বাতৰিৰ অংশ প্ৰচাৰ কৰিবলৈ লৈছোঁ।
*(বাইট ঃ দিব্যা)*

এয়া আছিল গোলাপ শইকীয়া সোঁৱৰণী বাতৰি পঢ়া প্ৰতিযোগিতাত দ্বিতীয় স্থান বিজয়ী গহপুৰৰ দিব্যা আত্ৰেয়।

০০০০০

অসমত ৰে'ল সেৱা বিশেষকৈ যাত্ৰীবাহী ৰে'ল সেৱাক অধিক জনমুখী কৰা সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ প্ৰাক্তন মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া ছিতু সিং হাজং, সাংবাদিক ত্ৰিদীপ লহকৰ আৰু অসম ৰে'লযাত্ৰী সংস্থাৰ সাধাৰণ সম্পাদক দীপংকৰ শৰ্মাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল সেৱাৰ সাম্প্ৰতিক অৱস্থা সম্পৰ্কত আলোচনা কৰিব। এই আলোচনাৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০

যোৰহাট জিলাৰ টিয়ক ই মিডিয়া ফ'ৰামৰ উদ্যোগত টিয়ক গ্ৰন্থমেলা আৰু সাহিত্য উৎসৱত অনুষ্ঠিত হৈছে। ইয়াৰ লগত সংগতি ৰাখি আয়োজন কৰা মইনা পাৰিজাতৰ সাংস্কৃতিক অনুষ্ঠানত আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ মাধুৰ্য্য মণ্ডিত বৰুৱা, যোৰহাট জিলাৰ বিজেপিৰ সভাপতি শান্তনু পূজাৰী, যোৰহাট জিলা পৰিষদৰ অধ্যক্ষ সুৰজিৎ শইকীয়া আদি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে আজি অংশগ্ৰহণ কৰে।

০০০০০

আই চি চি মহিলাৰ বিশ্বকাপ প্ৰতিযোগিতাৰ এখন খেলত আজি শ্ৰীলংকা, দক্ষিণ আফ্ৰিকাৰ মুখামুখি হৈছে। টছত জিকি শ্ৰীলংকাই প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। বাতৰি যুগুতোৱাৰ পৰলৈকে শ্ৰীলংকাই ১২ অভাৰত ২ টা উইকেট হেৰুৱাই ৪৬ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০

সমাপ্ত